**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
0000000000

**Date :** 18-08-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। নাগৰিকত্ব সংশোধনী আইনে কোনো ধৰ্মৰে লোকৰ নাগৰিক অধিকাৰ কাঢ়ি লৈ নাযায় বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰে।

২। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ৰাখী বন্ধনৰ প্ৰাক মুহূৰ্তত সকলোকে শুভেচ্ছা জ্ঞাপন কৰিছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে কুৱেইটৰ ৰাজকুমাৰক সাক্ষাৎ কৰে।

৪। নেপালৰ বৈদেশিক মন্ত্ৰী ড০ আৰ্জু ৰাণা দেউবাই আজি আবেলি পাঁচদিনীয়া ভাৰত ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হয়। **আৰু**

৫। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি চেন্নাইৰ ভাৰতৰ উপকূলৰক্ষী বাহিনীৰ আঞ্চলিক মুখ্য কাৰ্যালয়ত আঞ্চলিক সামুদ্ৰিক প্ৰদূষণ সঁহাৰি কেন্দ্ৰ মুকলি কৰে।

০০০০০০০

নাগৰিকত্ব সংশোধনী আইনে কোনো ধৰ্মাৱলম্বী লোকৰ নাগৰিকৰ অধিকাৰ কাঢ়ি লৈ নাযায় বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি প্ৰকাশ কৰে। তেওঁ কয় যে, এই আইনে ভাৰতীয় নাগৰিকসকলৰ লগতে শৰণাৰ্থীসকলক সন্মান আৰু ন্যায় প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে আজি আহমেদাবাদৰ এটা অনুষ্ঠানত নাগৰিকত্ব সংশোধনী আইনৰ অধীনত ১৮৮ গৰাকী হিন্দু লোকক নাগৰিকত্বৰ প্ৰমাণ পত্ৰ প্ৰদান কৰি এই কথা প্ৰকাশ কৰে। শ্ৰী শ্বাহে তোষামোদৰ ৰাজনীতি আৰু ভোটবেংকৰ বাবে পূৰ্বৰ কংগ্ৰেছ চৰকাৰে হিন্দু তথা আন সংখ্যালঘু লোকক অৱহেলা কৰা বুলি সমালোচনা কৰে। তেওঁ দেশজুৰি নাগৰিকত্ব সংশোধনী আইন বলৱৎ কৰাৰ বাবে মোদী চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি দৃঢ়তাৰে কয়। ইয়াৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে আহমেদাবাদত আহমেদাবাদ পৌৰ নিগমৰ এহেজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া উন্নয়নমূলক প্ৰকল্পসমূহো উদ্বোধন কৰে। শ্ৰীশ্বাহে সৱৰমতিত দলীয় কৰ্মীসকলক সাক্ষাৎ কৰাৰো কথা আছে।

০০০০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ৰাখী বন্ধনৰ প্ৰাক মুহূৰ্তত সকলোকে শুভেচ্ছা জ্ঞাপন কৰিছে। শুভেচ্ছা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, ৰাখী বন্ধন হৈছে ভাই-ভনীসকলৰ মাজত অনন্য বন্ধনৰ এক উৎসৱ, যি প্ৰেম আৰু পাৰস্পৰিক বিশ্বাসক শক্তিশালী কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এই উৎসৱ ধৰ্মীয় আৰু সাংস্কৃতিক সীমাৰ বাহিৰত দেশৰ বৈচিত্ৰ্যৰ মাজত একতাৰ প্ৰতীক বুলি উল্লেখ কৰে। এই উৎসৱে মহিলাৰ অধিকাৰ সুৰক্ষিত কৰাৰ সংকল্পক অধিক শক্তিশালী কৰে বুলিও তেওঁ শুভেচ্ছা বাৰ্তাত প্ৰকাশ কৰে।

০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কুৱেইটৰ ৰাজকুমাৰ শ্বেখ ছাবাহ্ আল খালেদ আল ছাবাহ আল হামাদ আল মুবাৰক আল ছাবাহক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ড০ এছ্ জয়শংকৰে কয় যে, ভাৰত আৰু কুৱেইটে শতিকাজুৰি শুভেচ্ছা আৰু মিত্ৰতাৰ সম্পৰ্ক ৰক্ষা কৰি আহিছে। তেওঁ কয় যে, দুয়োখন দেশৰ সাম্প্ৰতিক সম্পৰ্ক অবিৰতভাৱে সম্প্ৰসাৰণ হৈ আছে। ড০ জয়শংকৰে দেশ দুখনৰ সম্পৰ্কক উচ্চ পৰ্যায়লৈ লৈ যোৱাত ৰাজকুমাৰগৰাকীৰ ভূমিকাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। মন্ত্ৰীগৰাকী আজি চৰকাৰী ভ্ৰমণসূচীৰে কুৱেইটত উপস্থিত হয়। তেওঁক কুৱেইটৰ বিদেশ মন্ত্ৰী আব্দুলাহ্ আলী আল য়াহয়াই আদৰণি জনায়। এই ভ্ৰমণকালত দুয়োপক্ষই ৰাজনৈতিক, বাণিজ্য, বিনিয়োগ, শক্তি, নিৰাপত্তা, সাংস্কৃতিক, বাণিজ্যিক দূতাবাস আৰু জনসাধাৰণৰ পাৰস্পৰিক সম্পৰ্ককে ধৰি দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশ পৰ্যালোচনা কৰিব। উভয় পক্ষই উমৈহতীয়া স্বাৰ্থ জড়িত আঞ্চলিক তথা আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহৰ সন্দৰ্ভত মত বিনিময় কৰিব।

0000000

মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী ডাট' ছেৰি আনৱাৰ বিন ইব্ৰাহিমে কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ভাৰত ভ্ৰমণ কৰিব। মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী হিচাপে তেওঁৰ এয়া হ'ব প্ৰথম হ'ব বিদেশ ভ্ৰমণ। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে মালয়েছিয়াৰ প্ৰধানমন্ত্ৰীগৰাকী অহা মঙলবাৰে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। এই ভ্ৰমণৰ সময়ছোৱাত মালয়েছিয়াৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু তথা বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰকো সাক্ষাৎ কৰিব।

ভাৰত আৰু মালয়েছিয়াৰ শক্তিশালী ঐতিহাসিক আৰু সামাজিক সাংস্কৃতিক সম্পৰ্ক আছে। মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে, ২০১৫ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মালয়েছিয়া ভ্ৰমণৰ সময়ত দুয়োখন ৰাষ্ট্ৰৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক বৰ্ধিত, কৌশলগত সম্পৰ্কলৈ উন্নীত হয়। মালয়েছিয়াৰ প্ৰধানমন্ত্ৰীৰ ভাৰত ভ্ৰমণে ভৱিষ্যতৰ বাবে বহু খণ্ডৰ সহযোগিতাৰ ৰূপৰেখা প্ৰস্তুত কৰাৰ জৰিয়তে দুয়োখন দেশৰ দ্বিপাক্ষিক মিত্ৰতা অধিক শক্তিশালী কৰাৰ পথ মুকলি কৰিব।

0000000

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চিবিআইয়ে ৰাষ্ট্ৰজুৰি প্ৰতিবাদৰ সৃষ্টি কৰা কলকাতাৰ এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ গোচৰত অভিযুক্ত সঞ্জয় ৰায়ৰ মনস্তাত্বিক পৰীক্ষা কৰিব। ইয়াৰ বাবে দিল্লীস্থিত কেন্দ্ৰীয় ফৰেনচিক বিজ্ঞান পৰীক্ষাগাৰৰ মনোবৈজ্ঞানিক আৰু আচৰণগত বিশ্লেষকৰ এটা দল ইতিমধ্যে কলকাতাত উপস্থিত হৈছে। চিবিআইয়ে সঞ্জয় ৰায়ক ইতিপূৰ্বে জিম্মাত লৈছে। ইপিনে, আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ প্ৰাক্তন অধ্যক্ষ ডাঃ সন্দিপ ঘোষক কালি চি বি আইয়ে একেৰাহে দ্বিতীয় দিনৰ বাবে কেইবাঘণ্টা ধৰি জেৰা কৰে। চিবিআইয়ে পুনৰ জেৰা কৰাৰ বাবে তেওঁলৈ চমন জাৰি কৰিছে।

0000000

নেপালৰ বৈদেশিক মন্ত্ৰী ড০ আৰ্জু ৰাণা দেউবাই আজি আবেলি পাঁচদিনীয়া ভাৰত ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হয়। এই ভ্ৰমণকালত তেওঁ কাইলৈ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ সৈতে বৈঠকত মিলিত হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিযোগে প্ৰকাশ কৰা অনুসৰি ভাৰত আৰু

নেপালৰ মাজত নিয়মীয়া উচ্চ পৰ্যায়ৰ বিনিময় পৰম্পৰাৰ সৈতে সংগতি ৰাখি দেউবাই ভাৰত ভ্ৰমণ কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰে যে, ভাৰতৰ চুবুৰীয়া প্ৰথম নীতিত নেপাল উল্লেখযোগ্য মিত্ৰদেশ। এই ভ্ৰমণে দুয়োপক্ষক দ্বিপাক্ষিক সহযোগিতাৰ অগ্ৰগতিৰ বিষয়ে আলোচনা আৰু পৰ্যালোচনা কৰাৰ সুযোগ প্ৰদান কৰিব বুলিও বিবৃতিটোত উল্লেখ কৰা হয়।

ooooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি চেন্নাইৰ ভাৰতৰ উপকূলৰক্ষী বাহিনীৰ আঞ্চলিক মুখ্য কাৰ্যালয়ত আঞ্চলিক সামুদ্ৰিক প্ৰদূষণ সঁহাৰি কেন্দ্ৰ, **আৰ এম পি আৰ চি** মুকলি কৰে। এই কেন্দ্ৰৰ জৰিয়তে সমুদ্ৰত তেলৰ অপব্যয় ৰোধ কৰিবলৈ বিশেষ দৃষ্টিভংগী নিশ্চিত কৰি এটা নিৰ্দিষ্ট অঞ্চলৰ ভিতৰৰ দেশসমূহৰ মাজৰ সহযোগিতা বৃদ্ধি হ'ব বুলি আশা কৰা হৈছে। আছিয়ান দেশসমূহৰ ২০ গৰাকী বিষয়াৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ দুসপ্তাহজোৰা প্ৰশিক্ষণো কাইলৈ আৰম্ভ হ'ব।

ooooooo

বাংলাদেশ চৰকাৰে মাংকিপক্স ৰোগৰ প্ৰাৰ্দুভাৱ হোৱা দেশসমূহৰ পৰা যাত্ৰীসকলৰ স্বাস্থ্য পৰীক্ষা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বিশ্বৰ বিভিন্ন প্ৰান্তত এই ৰোগৰ প্ৰাৰ্দুভাৱ ঘটাৰ পৰিপ্ৰেক্ষিতত দেশখনে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। বাংলাদেশৰ ঢাকাৰ হজৰত শ্বাহ জালাল আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত এনে যাত্ৰীসকলৰ শৰীৰৰ তাপমাত্ৰা জোখাৰ ব্যৱস্থা কালি আৰম্ভ কৰা হৈছে তদুপৰি কোনো যাত্ৰীৰ শৰীৰত এনে লক্ষণ পৰিলক্ষিত হ'লে স্বাস্থ্য বিভাগক জনাবলৈ তথা সতৰ্ক হৈ থাকিবলৈ বিমান সংস্থাসমূহলৈ নিৰ্দেশ দিয়া হৈছে। বিমান বন্দৰৰ বিষয়াই প্ৰকাশ কৰা অনুসৰি কোনো লোক মাংকিপক্স ৰোগত আক্ৰান্ত হোৱা বুলি ধৰা পৰিলে ঢাকাৰ বিশেষ চিকিৎসালয়লৈ পোনপটীয়াকৈ প্ৰেৰণ কৰা হ'ব। অৱশ্যে বাংলাদেশত এতিয়ালৈ কোনো ৰোগ মাংকিপক্সত আক্ৰান্ত হোৱা বুলি জানিব পৰা হোৱা নাই। বিশ্ব স্বাস্থ্য সংস্থাই আফ্ৰিকাত মাংকিপক্স দ্ৰুতগতিত বিয়পাৰ পৰিপ্ৰেক্ষিতত এই ৰোগৰ প্ৰাৰ্দুভাৱক গোলকীয় স্বাস্থ্য খণ্ডক জৰুৰী অৱস্থা হিচাপে ঘোষণা কৰিছে। উল্লেখযোগ্য যে মাংকিপক্স ভাইৰাছৰ জৰিয়তে বিয়পা ই এবিধ সংক্ৰামক ৰোগ। এই ৰোগত আক্ৰান্ত লোকৰ শৰীৰত জ্বৰ, ডিঙিৰ সুৰসুৰনি, ডিঙিৰ গ্ৰন্থি ফুলা, ছাল ৰঙা পৰা, ককালৰ বিষ আদি লক্ষণে দেখা দিয়ে। ইতিমধ্যে ভাৰতৰ স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে, এতিয়ালৈ ভাৰতত মাংকিপক্সৰ কোনো ৰোগী ধৰা পৰা নাই। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই কালি নতুন দিল্লীত এখন বৈঠকত দেশৰ মাংকিপক্সৰ পৰিস্থিতি তথা এই সন্দৰ্ভত চলা যাৱতীয় প্ৰস্তুতিৰ পৰ্যালোচনা কৰে।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ আগষ্টত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৩ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই খণ্ডটিৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৩ আগষ্ট পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

0000000

উত্তৰ প্ৰদেশৰ বুলণ্ডচহৰ জিলাৰ ছালেমপুৰ আৰক্ষী চকীৰ সমীপত হোৱা এটা দুৰ্ঘটনাত ১০ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে ৩৭ গৰাকী লোক আহত হয়। আহত সকলক সমীপৰ চিকিৎসালয়ত ভৰ্তি কৰা হোৱাৰ বিপৰীতে গুৰুতৰভাৱে আহত ৪ গৰাকী মিৰাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হৈছে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে ঘটনাৰ বুজ লৈ সংশ্লিষ্ট বিষয়াসকলক আহতসকলৰ বাবে শীঘ্ৰেই সঠিক চিকিৎসাৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে। জিলাখনৰ দণ্ডাধীশ চন্দ্ৰপ্ৰকাশ সিঙে কয় যে, দুৰ্ঘটনাগ্ৰস্ত বাহন দুখনৰ এখন গাজিয়াবাদৰ পৰা আহি থকাৰ বিপৰীতে আনখন বাহন বুলণ্ডচহৰলৈ গৈ আছিল। গাজিয়াবাদত এটা সংস্থাত কাম কৰি থকা লোকসকলে ৰাখী বন্ধন উৎসৱ উদযাপন কৰাৰ উদ্দেশ্যে আলিগড় জিলাৰ ৰায়পুৰ গাঁওলৈ গৈ থকা অৱস্থাত দুৰ্ঘটনাটো সংঘটিত হয়।

0000000

সমাপ্ত